**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-07-2025 **Time :** 0705 Hrs.

***Assamese Morn. Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি বিহাৰ আৰু পশ্চিম বংগলৈ যাব।

২। ভাৰতে পাৰমাণৱিক সমৰাস্ত্ৰ কঢ়িয়াই নিব পৰা হ্ৰস্ব দূৰত্বভেদী পৃথ্বী-2 আৰু অগ্নি-1 বেলিষ্টিক ক্ষেপনাস্ত্ৰৰ পৰীক্ষা সফলতাৰে সম্পন্ন কৰিছে।

৩। এখন সুস্থ ভাৰতবৰ্ষ গঢ়ি তোলাৰ উদ্দেশ্যে চৰকাৰে প্ৰতিষেধকমূলক, উদ্গনিমূলক আৰু নিৰাময়কাৰী স্বাস্থ্যসেৱা আগবঢ়োৱাৰ উদ্দেশ্যে সৰ্বাত্মক দৃষ্টিভংগীৰে কাম কৰি আছে।

৪। পাকিস্তানৰ পাঞ্জাবত নেৰানেপেৰা বৰষুণৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ৬৩ লৈ বৃদ্ধি পাইছে।

আৰু

৫। ভাৰতৰ সুজিত কলকলে হাংগেৰীত অনুষ্ঠিত পোলাক ইম্ৰে আৰু ৱৰ্গা জানোছ স্মাৰক মল্লযুদ্ধ প্ৰতিযোগিতাৰ পুৰুষৰ ৬৫ কিলোগ্ৰাম ওজন শাখাত সোণৰ পদক অৰ্জন কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি বিহাৰ আৰু পশ্চিম বংগলৈ যাব। বিহাৰ ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে পূব চম্পাৰণ জিলাৰ মতিহাৰীত ৭ হাজাৰ ২০০ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ ভালেমান উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পসমূহৰ ভিতৰত ৰে'ল, পথ, গ্ৰামোন্নয়ন, মীন, বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি খণ্ডৰ প্ৰকল্প আছে। প্ৰধানমন্ত্ৰী মোদীয়ে বিহাৰৰ ৰে'ল যোগাযোগ উন্নত কৰাৰ উদ্দেশ্যে ৰাজ্যখনৰ বিভিন্ন চহৰক দেশৰ আন অংশৰ সৈতে সংযুক্ত কৰা চাৰিখন নতুন অমৃত ভাৰত ৰে'লৰ যাত্ৰাৰ শুভাৰম্ভ কৰিব। শ্ৰী মোদীয়ে মতিহাৰীৰ গান্ধী ময়দানত এখন জনসভাতো ভাষণ দিব। ৰাজ্যখনৰ পথ, আন্তঃগাঁথনি সুদৃঢ়কৰণৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰীয়ে ৩১৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত আৰা বাইপাছক চাৰিটা লেনযুক্ত বাইপাছলৈ উন্নীতকৰণৰ কামৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে বিহাৰৰ মীন পালন আৰু মাছক মুখ্য জলজ প্ৰাণী আৰু উদ্ভিদ প্ৰতিপালন খণ্ডৰ বিবাগৰ বাবে প্ৰধানমন্ত্ৰী মৎস্য সম্পদা যোজনাৰ অধীনত অনুমোদনপ্ৰাপ্ত এলানি মীনপালন উন্নয়ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণৰ ১২ হাজাৰ হিতাধিকাৰীৰ গৃহ প্ৰৱেশৰ অংশ হিচাপে একাংশ হিতাধিকাৰীক ঘৰৰ ছাবি প্ৰদান কৰিব আৰু ৪০ হাজাৰ হিতাধিকাৰীলৈ ১৬০ কোটিৰো অধিক টকা মোকলাই দিব।

পশ্চিমবংগত প্ৰধানমন্ত্ৰীয়ে ৫ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ ভালেমান উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। ইয়াৰ ভিতৰত তেল আৰু গেছ, শক্তি, পথ আৰু ৰে'ল খণ্ডৰ প্ৰকল্প আছে। তেওঁ লগতে এখন জনসভাতো ভাষণ দিব। শ্ৰীমোদীয়ে এই ভ্ৰমণ কালত ট'প্চি আৰু পশ্চিম বৰ্ধমানৰ পাণ্ডৱেশ্বৰত সেতু ভাৰতম কাৰ্যসূচীৰ অধীনত ৩৮০ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা দুখন পথ অভাৰব্ৰীজ মুকলি কৰিব। এই পথ অভাৰব্ৰীজ দুখনে ৰে'লৰে লেভেল ক্ৰছিঙত দুৰ্ঘটনা ৰোধ কৰাৰ লগতে যাত্ৰীৰ আহ-যাহত সহায় কৰিব।

০০০০০০০০০

ভাৰতে ওড়িশাৰ উপকূলভাগৰ সমীপত চান্দিপুৰ সংহত পৰীক্ষণথলীৰ পৰা পাৰমাণৱিক সমৰাস্ত্ৰ কঢ়িয়াই নিব পৰা হ্ৰস্ব দূৰত্বভেদী পৃথ্বী-2 আৰু অগ্নি-1 বেলিষ্টিক ক্ষেপনাস্ত্ৰৰ পৰীক্ষা সফলতাৰে সম্পন্ন কৰিছে। ভাৰতে বুধবাৰে চাৰিহাজাৰ ৫০০ মিটাৰৰো অধিক উচ্চতাত ব্যৱহাৰ কৰিব পৰাকৈ ন-ৰূপত সজাই তোলা থলুৱাভাৱে বিকশিত আকাশ ক্ষেপনাস্ত্ৰৰো পৰীক্ষা সফলতাৰে সম্পন্ন কৰে। পৃথ্বী-2 ক্ষেপনাস্ত্ৰই প্ৰায় ৩৫০ কিলোমিটাৰ দূৰৰ লক্ষ্যত নিখুঁতভাৱে আঘাত কৰিব পাৰে আৰু ৫০০ কিলোগ্ৰাম পৰ্যন্ত পৰম্পৰাগত তথা পাৰমাণৱিক সমৰাস্ত্ৰ কঢ়িয়াই নিব পাৰে। একেদৰে অগ্নি-1 ক্ষেপনাস্ত্ৰবিধে ৭০০ ৰ পৰা ৯০০

কিলোমিটাৰ দূৰত্বৰ লক্ষ্যত আঘাত হানিব পাৰে আৰু এহেজাৰ কিলোগ্ৰাম সমৰাস্ত্ৰ কঢ়িয়াই নিব পাৰে। পৃথ্বী-2 আৰু অগ্নি-1 ভাৰতৰ পাৰমাণৱিক প্ৰতিৰোধৰ অবিচ্ছেদ্য অংগ।

আকাশ ক্ষেপনাস্ত্ৰৰ পৰীক্ষা সন্দৰ্ভত প্ৰতিৰক্ষা মন্ত্ৰালয়ে কৈছে যে অপাৰেচন সিন্দূৰৰ সময়ত ভাৰতৰ থলুৱাভাৱে বিকশিত বায়ু প্ৰতিৰক্ষা ব্যৱস্থাৰ অভূতপূৰ্ব সফলতাৰ পাছত কৰা এই পৰীক্ষা অধিক তাৎপৰ্যপূৰ্ণ হৈ উঠিছে। লাডাখৰ পৰা সম্পন্ন কৰাৰ বাবেও এই পৰীক্ষা অধিক গুৰুত্বপূৰ্ণৰূপে বিবেচিত হৈছে, কিয়নো লাডাখ প্ৰকৃত নিয়ন্ত্ৰণৰেখাৰ সমীপত অৱস্থিত।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এই সাফল্যৰ বাবে সেনা বাহিনী, প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা ডি আৰ ডি অ’ আৰু প্ৰতিৰক্ষা উদ্যোগ জগতৰ শলাগ লৈছে।

০০০০০০০০০

এখন সুস্থ ভাৰতবৰ্ষ গঢ়ি তোলাৰ উদ্দেশ্যে চৰকাৰে প্ৰতিষেধকমূলক, উদ্গনিমূলক আৰু নিৰাময়কাৰী স্বাস্থ্যসেৱা আগবঢ়োৱাৰ উদ্দেশ্যে সৰ্বাত্মক দৃষ্টিভংগীৰে কাম কৰি আছে। নতুন দিল্লীত কালি এটা অনুষ্ঠানত ভাষণ দি শ্ৰী নাড্ডাই কয়, যে চৰকাৰে ১ লাখ ৭৭ হাজাৰ আয়ুস্মান আৰোগ্য মন্দিৰ নিৰ্মাণ কৰিছে আৰু এই আৰোগ্য মন্দিৰসমূহ এগৰাকী ব্যক্তিৰ বাবে স্বাস্থ্য প্ৰতিষ্ঠানৰ সৈতে প্ৰাৰম্ভিক যোগাযোগৰ কেন্দ্ৰৰূপে পৰিগণিত হৈছে। তেওঁ কয়, যে এই কেন্দ্ৰসমূহ অকল চহৰতেই সীমাবদ্ধ হৈ থকা নাই, বৰং দেশৰ দূৰণিবতীয়া এলেকাসমূহলৈ সম্প্ৰসাৰিত কৰা হৈছে। আয়ুস্মান আৰোগ্য মন্দিৰসমূহ teleconsultancy অৰ্থাৎ দূৰ সংযোগ ব্যৱস্থাৰে পৰামৰ্শগ্ৰহণৰ সুবিধাৰে সুসজ্জিত কৰি তোলা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

বাইট

০০০০০০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযুষ গোয়েলে ভাৰতৰ বিশ্ব বাণিজ্য আৰু বাণিজ্যিক সংযোগৰ কৌশল পৰ্যালোচনা তথা শক্তিশালী কৰাৰ বাবে ৬১খন দেশৰ ৭৪টা ভাৰতীয় মিছনত নিযুক্তি দিয়া বাণিজ্যিক শাখাৰ মুৰব্বীসকলৰ সৈতে ভিডিঅ’ কনফাৰেন্সিং ব্যৱস্থাৰ জৰিয়তে মত বিনিময় কৰে। বৈঠকৰ সময়ত মূল ভাৰতীয় মিছনসমূহে বাণিজ্য প্ৰসাৰৰ কাৰ্য্যকলাপ, বজাৰত প্ৰৱেশৰ প্ৰত্যাহ্বান আৰু খণ্ড অনুসৰি বিভিনে কৌশলৰ বিষয়ে বিশদ উপস্থাপন আগবঢ়ায়। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে এটা বিবৃতিত কৈছে যে মন্ত্ৰীগৰাকীয়ে ভাৰতৰ বাণিজ্যিক আৰু অৰ্থনৈতিক কূটনীতিৰ প্ৰথম যোগাযোগ বিন্দু হিচাপে মিছনসমূহক স্বীকৃতি দিয়ে। তেওঁ ভাৰতীয় ৰপ্তানিৰ প্ৰসাৰ আৰু ভাৰতীয় মিছন থকা দেশসমূহৰ সৈতে অধিক শক্তিশালী সংযোগৰ সুবিধা প্ৰদানৰ ক্ষেত্ৰত মুৰব্বীসকলৰ দায়িত্বত গুৰুত্ব আৰোপ কৰে। বৈঠকত শ্ৰীগোয়েলে বজাৰৰ ধাৰা, খণ্ড অনুসৰি উন্নয়ন আৰু নিয়ামক নিৰ্দেশাৱলীৰ শেহতীয়া খবৰকে ধৰি সক্ৰিয়ভাৱে বাণিজ্যিক খবৰ সংগ্ৰহৰ প্ৰয়োজনত গুৰুত্ব দিয়ে। মন্ত্ৰীগৰাকীয়ে বৈঠকত কৃষি, মীন ৰাজসাহায্য আদিৰ লেখীয়া মূল বিষয়সমূহত বিশ্ব বাণিজ্য সংস্থাৰ দৰে বহুপাক্ষিক মঞ্চত ভাৰতৰ লক্ষ্যসমূহক সমৰ্থন কৰাৰ বাবে সহযোগিতামূলক প্ৰচেষ্টাৰ বিষয়েও বিশদভাৱে আলোচনা কৰে।

০০০০০

উত্তৰ প্ৰদেশৰ সন্ত্ৰাসবাদী বিৰোধী গোটে স্বয়ম্ভু আধ্যাত্মিক নেতা ছংগুৰ বাবাৰ মূল সহযোগী ৰছিদক বৃহৎ পৰিসৰৰ ধৰ্মান্তৰকৰণত ভূমিকা লোৱা বুলি অভিযোগ উত্থাপন কৰি গ্ৰেপ্তাৰ কৰিছে। ধৰ্মান্তৰকৰণত ভূমিকা লোৱা লোকসকলৰ ঘাটি বুলি সন্দেহ কৰা বলৰামপুৰৰ উত্ৰাউলা অঞ্চলৰ পৰা ৰছিদক গ্ৰেপ্তাৰ কৰা হয়। তথ্য অনুসৰি ছাংগুৰ বাবাই ৰছিদক ধৰ্মান্তৰকৰণৰ ‘লাভ জেহাদ’ শাখা চম্ভালাৰ দায়িত্ব অৰ্পণ কৰিছিল। সন্ত্ৰাসবাদী বিৰোধী গোটে ৰছিদক স্থানীয় আদালতত হাজিৰ কৰায়। এই সন্দৰ্ভত পৰৱৰ্তী আইনী প্ৰক্ৰিয়া অব্যাহত আছে।

ছাংগুৰ বাবা নামধাৰী জামালুদ্দিন আন্তঃৰাজ্যিক ধৰ্মান্তৰকৰণ ৰেকেটৰ আঁৰৰ ব্যক্তি। তদন্তকাৰী গোটে প্ৰকাশ কৰা অনুসৰি এই অভিযানে আৰেগিক আৰু ধৰ্মীয় দুৰ্বলতাক ভিত্তি হিচাপে লৈ অনুসূচিত জাতি, অৰ্থনৈতিকভাৱে দুৰ্বল গোট আৰু হিন্দু মহিলাসকলক লক্ষ্য কৰি লয় আৰু প্ৰায়ে ইচ্ছা পূৰণ, সমৃদ্ধি বা অলৌকিকভাৱে নিৰাময়ৰ প্ৰতিশ্ৰুতিৰ জৰিয়তে মানুহক প্ৰলোভিত কৰে।

০০০০০

বিগত সপ্তাহত সন্ত্ৰাসবাদী বিৰোধী গোটে ছংগুৰ বাবাক লৈ বলৰামপুৰৰ মাধপুৰ গাঁৱত উপস্থিত হৈছিল। এই গাঁওখনৰ পৰাই স্বয়ম্ভু আধ্যাত্মিক নেতাজনৰ কাম-কাজ পৰিচালিত হৈ আহিছে। তেওঁৰ সহায়কসকলৰ সৈতে জড়িত বুলি অভিযোগ উত্থাপন কৰা এটা ভৱনত বিষয়াসকলে অভিযান চলাইছিল। পাছত ভৱনটো অবৈধভাৱে নিৰ্মিত বুলি চিহ্নিত হয় আৰু ভৱনটো ভাঙি পেলোৱা হয়।
ইপিনে, প্ৰাথমিক তথ্য অনুসৰি ধৰ্মান্তৰকৰণৰ লগত জড়িত দলটোৱে মূলতঃ মধ্যপ্ৰাচ্যৰ পৰা ১০৬ কোটি টকাৰো অধিক বিদেশী পুঁজি লাভ কৰা বুলি প্ৰকাশ পোৱাৰ পিছতে বিধি বলবৎকাৰী সঞ্চালকালয়ে ধন সৰবৰাহৰ প্ৰতিৰোধ আইন, পি এম এল এ-ৰ অধীনত গোচৰ ৰুজু কৰিছে।

০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প ক্ৰ'নিক ভেনাছ ইনচাফিচিয়েন্সি, অৰ্থাৎ ৰক্ত পৰিবাহী সিৰাৰ এবিধ ৰোগত আক্ৰান্ত হৈছে। সাধাৰণতে ৭০ বছৰ বয়সৰ ঊৰ্ধৰ ব্যক্তিৰ ক্ষেত্ৰত দেখা পোৱা ৰোগবিধত ৰাষ্ট্ৰপতিগৰাকী আক্ৰান্ত হোৱা বুলি হোৱাইট হাউছৰ মুখপাত্ৰ কেৰ'লিন লিভিটে ৰোগ নিশ্চিত কৰিছে। অৱশ্যে ৰাষ্ট্ৰপতিগৰাকীৰ শিৰাত তেজ গোট মৰাৰ অথবা তেওঁ ধমনীৰ ৰোগত আক্ৰান্ত হোৱাৰ আশংকা নাই আৰু সকলো পৰীক্ষা-নিৰীক্ষাৰ ফলাফল স্বাভাৱিক সীমাৰ ভিতৰতে আছে বুলি শ্ৰীলিভিটে প্ৰকাশ কৰে। শেহতীয়া আলোকচিত্ৰত ৰাষ্ট্ৰপতিগৰাকীৰ ভৰিৰ তলৰ অংশ ফুলা দেখা পোৱাৰ পাছত তেওঁৰ স্বাস্থ্য সন্দৰ্ভত প্ৰশ্ন উত্থাপিত হয় আৰু তাৰ পাছতে এই ঘোষণা কৰা হৈছে।

ৰাষ্ট্ৰপতিগৰাকীৰ হাতত প্ৰসাধন ব্যৱহাৰ কৰা যেন দেখা পোৱা আন এখন আলোকচিত্ৰ সন্দৰ্ভত অধিক পৃথক জল্পনা-কল্পনাৰ অৱসান ঘটাই শ্ৰীলিভিটে কয় যে ইয়াৰ জৰিয়তে কেৱল সৰু সৰু ঘাঁ ঢাকি ৰখা হৈছে। এই ঘাঁ সঘনাই কৰমৰ্দন কৰাৰ ফলত আৰু তেওঁ নিয়মীয়াকৈ এছপিৰিন ঔষধ ব্যৱহাৰৰ বাবে বুলি কোৱা হৈছে।

০০০০০০০০০

ভাৰতৰ সুজিত কলকলে হাংগেৰীৰ বুডাপেষ্টত অনুষ্ঠিত পোলাক ইম্ৰে আৰু ৱৰ্গা জানোছ স্মাৰক মল্লযুদ্ধ প্ৰতিযোগিতাৰ পুৰুষৰ ৬৫ কিলোগ্ৰাম ওজন শাখাত সোণৰ পদক অৰ্জন কৰিছে। সুজিতে কালি ফাইনেলত চাৰিবাৰকৈ ইউৰোপীয় পদক বিজেতা আজাৰবাইজানৰ আলী ৰহিমজাদেক ৫-১ পইণ্টত পৰাস্ত কৰে। ইয়াৰ লগে লগে সুজিত চলিত বৰ্ষত ৰেংকিং শৃংখলাৰ কোনো প্ৰতিযোগিতাত সোণৰ পদক অৰ্জন কৰা দেশৰ প্ৰথমগৰাকী খেলুৱৈৰূপে পৰিগণিত হয়। ইপিনে, ভাৰতৰ আন এগৰাকী খেলুৱৈ ৰাহুলে পুৰুষৰ ফ্ৰী ষ্টাইল শিতানৰ ৫৭ কিলোগ্ৰাম ওজন শাখাত জাৰ্মানীৰ নিক্‌লাছ ষ্টেচিঅ'ক ৪-০ পইণ্টত পৰাস্ত কৰি ব্ৰঞ্জৰ পদক লাভ কৰে।

০০০০০০০০০

সমাপ্ত